জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৭১/২০২৩**

**বীৰাংগনা সতী সাধনী দিৱস আৰু স্মৃতি বৰ্ষৰ শুভাৰম্ভণী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

## অসমীয়া জাতিৰ ইতিহাসৰ সৈতে নাৰীৰ বীৰত্ব আৰু ত্যাগৰ অধ্যায় জড়িত হৈ আছে ঃ মুখ্যমন্ত্ৰী

## বীৰাংগনা সতী সাধনীৰ সুউচ্চ প্ৰতিমূৰ্তি উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## সতী সাধনীৰ পাঁচশ বছৰীয়া স্মৃতিবৰ্ষ ৰাজ্য চৰকাৰে বছৰজোৰা কাৰ্যসূচীৰে পালন কৰিব ঃ মুখ্যমন্ত্ৰী

## গেছ পাইপলাইন প্ৰকল্প আৰু বৰপথাৰ হাজাৰী গাঁৱৰ চি এন জি মাডাৰ ষ্টেশ্যন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২১ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ সৰুপথাৰ-বৰপথাৰ অঞ্চলৰ একাধিক কাৰ্যসূচীত অংশগ্ৰহণ কৰি বীৰাংগন সতী সাধনীৰ এটা সুউচ্চ প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে বীৰাংগনা সতী সাধনী আৰু স্মৃতি বৰ্ষৰ শুভাৰম্ভণী অনুষ্ঠানত অংশগ্ৰহণ কৰে। তদুপৰি তেওঁ আজি সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত প্ৰাকৃতিক গেছৰ পৰিবহণ আৰু বিতৰণৰ ক্ষেত্ৰখনত অগ্ৰণী প্ৰতিষ্ঠান অসম গেছ কোম্পানী লিমিটেডে ৰূপায়ণ কৰা নামবৰ-গোলাঘাট-নুমলীগড় গেছ পাইপলাইন প্ৰকল্প আৰু বৰপথাৰ হাজাৰী গাঁৱত স্থাপন কৰা চি এন জি মাডাৰ ষ্টেশ্যন ভাৰ্চুৱেলী উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীয়ে আজি প্ৰথমতে সৰুপথাৰৰ ছেৰাগুৰিত সতী সাধনীৰ সুউচ্চ প্ৰতিমূৰ্তিটো উন্মোচন কৰে। উল্লেখ্য যে ভেটিসহ ৩১ ফুট উচ্চতাৰ এই প্ৰতিমূৰ্তিটো বিশিষ্ট ভাস্কৰ বীৰেণ সিংহই নিৰ্মাণ কৰিছে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ধনশিৰিৰ ৰামধেনু সাংস্কৃতিক ক্ষেত্ৰত বীৰাগংনা সতী সাধনী দিৱস আৰু স্মৃতি বৰ্ষৰ শুভাৰম্ভণী অনুষ্ঠানত অংশগ্ৰহণ কৰে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গোলাঘাট জিলা প্ৰশাসন তথা চুতীয়া জনগোষ্ঠীৰ কেইবাটাও দল-সংগঠনৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সতী সাধনীৰ বীৰত্বৰ গাঁথা, চুতীয়া ৰাজ্যৰ গৌৰময় ইতিহাস, স্থাপত্য-ভাস্কৰ্য, লোক-সংস্কৃতি আদিৰ বিষয়ে উল্লেখ কৰে।

ভাষণত অসমৰ লোক-সংস্কৃতিলৈ চুতীয়া জনগোষ্ঠীয়ে বিস্তৰ বৰঙণি আগবঢ়াইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চুতীয়া জাতিৰ মঠ, থান, ভগ্নাশয়সমূহে উন্নত স্থাপত্য কলাৰ পৰিচয় দাঙি ধৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়া জতি গঠনৰ প্ৰক্ৰিয়াত চুতীয়া সকলে অনবদ্য অৰদান আগবঢ়াইছে। চুতীয়াসকল কাৰিকৰী দিশৰ লগতে সামৰিক দিশতো পটু আছিল। অসমীয়া সমাজৰ বহুতো আচাৰ অনুষ্ঠান, নীতি-নিয়ম আৰু ধৰ্মীয় বিশ্বাস চুতীয়াসকলৰ পৰা আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ মন্তব্য কৰে যে অসমীয়া ভাষা, সংগীত, ধৰ্ম অনুশীলন, পূজা-পাৰ্বন, খেল-ধেমালী, স্থাপত্য-ভাস্কৰ্য, খাদ্য তথা সামাজিক জীৱন-যাত্ৰাত চুতীয়াসকলৰ অৰদান অপৰিসীম। স্ব-গৰিমাৰে মহিমামণ্ডিত এই চুতীয়া জাতিৰ স্বাভিমান ৰক্ষাৰ বাবে আত্মবলিদান দি বীৰাংগনা সতী সাধনীয়ে অসমৰ ইতিহাসত চিৰকাললৈ নিজৰ নাম স্বৰ্ণলিপিৰে লিপিবদ্ধ কৰি গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে নিজৰ অমৰ ত্যাগেৰে সতী সাধনীয়ে দেখুৱাই থৈ গৈছে যে অসমীয়া নাৰী কোনো ক্ষেত্ৰতে পিছপৰা নহয়। ইতিহাসৰ পাত লুটিয়াই চালে ইয়াৰ প্ৰমাণ পোৱা যায়। পদে পদে অসমীয়া জাতিৰ ইতিহাসৰ সৈতে নাৰীৰ বীৰত্ব আৰু ত্যাগৰ অধ্যায় জড়িত হৈ আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সতী সাধনীয়ে জাতিটোৰ মান ৰাখিবলৈ নিজৰ সমস্ত ত্যাগ কৰিছিল আৰু আজিৰ প্ৰতিযোগিতামূলক বিশ্বত শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়া প্ৰতিভাৰে উজলি উঠি অসমীয়া নাৰী সমাজেও ৰাজ্যখনৰ জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াব পাৰে। ৰাজ্য চৰকাৰে বিভিন্ন সময়ত চুতীয়া জনগোষ্ঠীৰ সংগঠনসমূহৰ সৈতে আলোচনা কৰি জনগোষ্ঠীটোৰ সমস্যাসমূহ দূৰীকৰণৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে সতী সাধনীৰ পাঁচশ বছৰীয়া স্মৃতিবৰ্ষ ৰাজ্য চৰকাৰে বছৰজোৰা কাৰ্যসূচীৰে পালন কৰিব যাতে বীৰাংগনা গৰাকীৰ শৌৰ্য-বীৰ্য আৰু বীৰত্বৰ গাঁথা নৱপ্ৰজন্মৰ বাবে অমূল্য সম্পদৰূপে সংৰক্ষণ কৰিব পৰা যায়।

আজিৰ এই অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, বিত্ত মন্ত্ৰী অজন্তা নেওগ, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী বিমল বড়া, সাংসদসকল পল্লৱলোচন দাস, কামাখ্যা প্ৰসাদ তাছা, সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটা, বিধায়কদ্বয় বিশ্বজিৎ ফুকন, ভৰেন ভৰালী, বিধায়ক তথা অসম গেছ কোম্পানী লিমিটেডৰ অধ্যক্ষ বলীন চেতিয়া, অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, অসম গেছ কোম্পানী লিমিটেডৰ পৰিচালন সঞ্চালক গকুল স্বৰ্গীয়াৰীকে ধৰি বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

আনহাতে মুখ্যমন্ত্ৰীয়ে আজি সৰুপথাৰ মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত প্ৰাকৃতিক গেছৰ পৰিবহণ আৰু বিতৰণৰ ক্ষেত্ৰখনত অগ্ৰণী প্ৰতিষ্ঠান অসম গেছ কোম্পানী লিমিটেডে ৰূপায়ণ কৰা নামবৰ-গোলাঘাট-নুমলীগড় গেছ পাইপলাইন প্ৰকল্প আৰু বৰপথাৰ হাজাৰী গাঁৱত স্থাপন কৰা চি এন জি মাডাৰ ষ্টেশ্যন ভাৰ্চুৱেলী উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে ভাৰত চৰকাৰৰ গেছ ভিত্তিক অৰ্থনীতি গঢ়াৰ লক্ষ্যক বাস্তৱায়িত কৰাত উল্লেখযোগ্য ভূমিকা ল'বলগীয়া এই প্ৰকল্প দুটাৰ সফল ৰূপায়ণৰ বাবে প্ৰতিষ্ঠানটোৰ সমূহ বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় জনসাধাৰণক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

উল্লেখ্য যে নামবৰ-গোলাঘাট-নুমলীগড় পাইপ লাইন প্ৰকল্পটো ১৯০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে অসম গেছ কোম্পানীয়ে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ নামবৰ আৰু খৰাঘাট উৎসৰ লগতে কেয়াৰ্ণ-বেদান্তৰ হাজৰীগাঁৱৰ উৎসৰ পৰা ২.৩০ লাখ ষ্টেণ্ডাৰ্ড কিউবিক মিটাৰ গেছ পৰিবহণ কৰিব। ইয়াৰ জৰিয়তে অসম গেছ কোম্পানী লিমিটেডে গোলাঘাট-সৰুপথাৰ, বৰপথাৰ আৰু দাঁতিকাষৰীয়া অঞ্চলৰ বিভিন্ন ঘৰুৱা-বাণিজ্যিক, চাহ আৰু অন্যান্য ঔদ্যোগিক গ্ৰাহকৰ গেছৰ প্ৰয়োজনীয়তা পূৰণ কৰি তেওঁলোকক যথেষ্ট উপকৃত কৰিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সম্প্ৰতি অসমে অৰ্থনৈতিক উন্নয়নৰ বিশেষ মুহূৰ্তত থিয় দিছে আৰু ৰাজ্যখনৰ ঘৰুৱা উৎপাদন বিগত কেইটামান বছৰৰ ভিতৰতে দ্ৰুত গতিত বৃদ্ধি পাইছে। ৰাজ্যখনত ব্যৱসায় আৰু উদ্যোগৰ নতুন পৰিৱেশ গঢ়ি উঠিছে বুলিও মন্তব্য কৰি তেওঁ কয় যে ৰাজ্যত যিমানে উদ্যোগীকৰণ হ'ব, জনসাধাৰণৰ মাজত ব্যৱসায় আৰু আত্মনিৰ্ভৰশীলতাৰ এটা নতুন পৰিৱেশ গঢ়ি উঠিব, সিমানেই ৰাজ্যখনৰ নিৱনুৱা সমস্যা দূৰীকৰণত যথেষ্ট সহায়ক হ'ব। ৰাজ্যখনত কমেও ২৫ হাজাৰ কোটি টকাৰ বিনিয়োগৰ বিভিন্ন প্ৰস্তাৱ ৰাজ্য চৰকাৰৰ বিবেচনাধীন হৈ আছে বুলিও সদৰি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিগত দুটা বছৰত ৰাজ্যখনত বিৰাজ কৰা শান্তি আৰু ইতিবাচক পৰিৱেশৰ প্ৰভাৱ দেশৰ ব্যৱসায়িক আৰু ঔদ্যোগিক ক্ষেত্ৰখনলৈও সম্প্ৰসাৰিত হৈছে। যদি ৰাজ্যখনত বিৰাজ কৰা শান্তি আৰু ইতিবাচক পৰিৱেশ আগন্তুক সময়ছোৱাতো বৰ্তাই ৰাখিব পৰা যায়, তেন্তে অসমে কম সময়ৰ ভিতৰতে উদ্যোগীকৰণৰ ক্ষেত্ৰতো ডাঙৰ ডাঙৰ মাইলৰ খুটা স্পৰ্শ কৰিবলৈ সক্ষম হ'ব পাৰিব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে আজি উদ্বোধন হোৱা এই প্ৰকল্পই ৰাজ্যৰ চাহ উদ্যোগলৈ এক নতুন সম্ভাৱনাৰ বাৰ্তা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰকল্পটোৱে ৮০ খনতকৈও অধিক চাহ বাগিচা আৰু কাষৰীয়া অঞ্চলৰ অন্যান্য ঔদ্যোগিক গোটক নিজৰ পাইপ লাইন নেটৱৰ্কৰ পৰিসৰলৈ আনি উদ্যোগ খণ্ডৰ বিকাশত সহায় কৰিব। তেঁও লগতে কয় যে এই প্ৰকল্পই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্বন ফুটপ্ৰিণ্ট হ্ৰাস কৰি জলবায়ু পৰিৱৰ্তন হ্ৰাস কৰাত ভাৰতবৰ্ষৰ অৱদান বৃদ্ধি কৰিবলৈ লোৱা লক্ষ্য প্ৰাপ্তিৰ দিশতো বৰঙণি যোগাব। তেওঁ কয় যে আহিবলগীয়া দিনবোৰত এই প্ৰকল্পই গোলাঘাট, যোৰহাট আৰু মাজুলী জিলাৰ বৰ্দ্ধিত চাহিদাৰ উপৰি কাজিৰঙা আৰু ডিমা হাছাও জিলাৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে বৰপথাৰ অঞ্চলত এই ষ্টেশ্যন স্থাপনৰ ফলত স্থানীয় যুৱক-যুৱতীসকলৰ বাবে প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সৃষ্টি হোৱাৰ উপৰি অঞ্চলটোৰ অৰ্থনৈতিক আৰু উদ্যোগিক বিকাশতো সহায় কৰিব।

মুখ্যমন্ত্ৰীয়ে সৰুপথাৰ মহাবিদ্যালয়ত নৱনিৰ্মিত মুহিকান্ত তামুলী প্ৰেক্ষাগৃহটোও আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

**নিঃকুঃদাঃ**
**২১/৪/২০২৩**